Total No. of Printed Pages—10

HS/XII/A. Sc. Com/A/26

2 0 2 6

ASSAMESE

(Modern Indian Language)

(FOR CANDIDATES WITH INTERNAL ASSESSMENT—NEW COURSE)

Full Marks : 80

(FOR CANDIDATES WITHOUT INTERNAL ASSESSMENT—OLD COURSE)

Full Marks : 100

Time : 3 hours

The figures in the margin indicate full marks for the questions

General Instructions :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

(PART : A—OBJECTIVE)

(*Marks* : 35)

SECTION—I

(*Marks* : 15)

১। তলৰ প্ৰশ্নবোৰৰ পৰা শুদ্ধ উত্তৰটো উত্তৰ বহীত লিখা। **সকলো** প্ৰশ্ন বাধ্যতামূলক : ১×১৫=১৫

(ক) 'ডিভাইন কমেডী'ৰ ৰচক কোন ?

(১) মিল্টন

(২) ডান্টে

(৩) হেমচন্দ্ৰ গোস্বামী

(৪) বাণীকান্ত কাকতি

(খ) ৰজকিনী শব্দৰ অৰ্থ কি ?

(১) তিৰোতা

(২) মাতা

(৩) পিতা

(৪) ধুবুনী

(গ) পঞ্চম বেদ কি ?

(১) 'মহাভাৰত'

(২) 'ৰামায়ণ'

(৩) 'ইতিহাস আৰু পুৰাণ'

(৪) 'ভাগৱত'

(ঘ) প্ৰেমচন্দ কি ভাষাৰ সাহিত্যিক ?

(১) অসমীয়া

(২) বঙালী

(৩) হিন্দী

(৪) ইংৰাজী

(ঙ) 'কুকুৰ' কোন শ্ৰেণীৰ কবিতা ?

(১) আধুনিক কবিতা

(২) পৌৰাণিক কবিতা

(৩) ৰোমাণ্টিক কবিতা

(৪) দেশপ্ৰেমমূলক কবিতা

(চ) কন্দৰ্পৰ বিবাহিতা পত্নীৰ নাম কি ?

(১) সাবিত্ৰী

(২) সীতা

(৩) সৰযু

(৪) ফাতেমা

(ছ) শংকৰদেৱৰ জন্মচনটো কিমান ?

(১) ১৮৪৯

(২) ১৪৪৯

(৩) ১৫৫৯

(৪) ১২৪৯

(জ) ফণী শৰ্মা ৰচিত এখন নাটকৰ নাম কি ?

(১) 'জয়মতী'

(২) 'ৰূপালীম'

(৩) 'কাৰেঙৰ লিগিৰি'

(৪) 'চিৰাজ'

(ঝ) 'পঞ্চপুষ্প' গ্ৰন্থখন কাৰ ৰচনা ?

(১) বাণীকান্ত কাকতি

(২) তীৰ্থনাথ শৰ্মা

(৩) নৱকান্ত বৰুৱা

(৪) অমূল্য বৰুৱা

(ঞ) ব্ৰহ্মাৰ মানসপুত্ৰ বুলি কাক জনা যায় ?

(১) কৃষ্ণ

(২) বিষ্ণু

(৩) মহেশ্বৰ

(৪) নাৰদ

(ট) 'কাম সেন্দুৰ' কবিতা-পুথিখনৰ ৰচক কোন ?

(১) হেম বৰুৱা

(২) অমূল্য বৰুৱা

(৩) তীৰ্থনাথ শৰ্মা

(৪) ফণী শৰ্মা

(ঠ) 'উভতি নহাৰ কবিতা' নামৰ কবিতাটো নৱকান্ত বৰুৱাৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে ?

(১) 'হে অৰণ্য হে মহানগৰ'

(২) 'ৰাতি জিলমিল তৰা জিলমিল'

(৩) 'ৰাৱণ'

(৪) 'দলঙত তামীঘৰা'

(ড) 'নাটঘৰ' কবিতাটো কোনখন কবিতা-পুথিৰ পৰা লোৱা হৈছে ?

(১) 'পৰশমণি'

(২) 'সপোনৰ সুৰ'

(৩) 'অলকানন্দা'

(৪) 'সন্ধিয়াৰ সুৰ'

(ঢ) ভবেন্দ্ৰনাথ শইকীয়াই কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল ?

(১) 'শৃংখল'

(২) 'অন্তৰীপ'

(৩) 'ৰম্যভূমি'

(৪) 'সেন্দুৰ'

(ণ) বানৰজাৰ জীয়ৰীৰ নাম কি ?

(১) চিত্ৰলেখা

(২) ৰুক্মিণী

(৩) ঊষা

(৪) সত্যভামা

SECTION—II

(*Marks* : 20)

২। তলৰ প্ৰশ্নবোৰৰ পোনপটীয়াকৈ চমু উত্তৰ লিখা (যি কোনো **দহটা**) : ২×১০=২০

(ক) ডান্টেৰ প্ৰেমিকাৰ নাম কি? তেওঁ কিমান বছৰ বয়সত তেওঁক প্ৰথমবাৰৰ বাবে লগ পাইছিল?

(খ) ভবেন্দ্ৰনাথ শইকীয়াৰ যি কোনো দুখন উপন্যাসৰ নাম লিখা।

(গ) ইন্দ্ৰদ্যুম্ন ক'ৰ ৰজা আছিল? তেওঁ কাৰ পৰম ভক্ত আছিল?

(ঘ) 'চিৰাজ' নাটকৰ দুটা নাৰী চৰিত্ৰৰ নাম লিখা।

(ঙ) কবিয়ে 'উভতি নহাৰ কবিতা'টোত জীয়াই থকাৰ মন্ত্ৰ কি বুলি কৈছে?

(চ) সীতা কোন? সীতাৰ জন্ম ক'ত হৈছিল?

(ছ) 'কুকুৰ' কবিতাটোত কবিয়ে কেইশ্ৰেণীৰ মানুহৰ কথা উল্লেখ কৰিছে? শ্ৰেণীকেইটাৰ নাম কি কি?

(জ) ড০ উপেন্দ্ৰনাথ গোস্বামীদেৱৰ দুখন গ্ৰন্থৰ নাম লিখা।

(ঝ) অমূল্য বৰুৱাৰ একমাত্ৰ কবিতা-পুথিখনৰ নাম কি? পুথিখন কিমান চনত প্ৰকাশ পাইছিল?

(ঞ) বিশ্বৰ দুগৰাকী ক্ৰান্তিকাৰৰ নাম লিখা।

(ট) ''ছাৰ মোৰ এজনী ভনী আছে''—কথাষাৰ কোনে, কাক কৈছিল?

(ঠ) ভবেন্দ্ৰনাথ শইকীয়াৰ দুটা গল্পৰ নাম লিখা।

(PART : B—DESCRIPTIVE)

(*Marks* : 20)

৩। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) ''কবিৰ মনত প্ৰেম আৰু বিশ্বশক্তি অভিন্ন পদাৰ্থ''—কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰি বহলাই আলোচনা কৰা।

(খ) ''পুৰণি অসমীয়া সাহিত্যত নাৰদ এটি আমোদী চৰিত্ৰ।'' কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

(গ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

''আপুনি ঘৰলৈ গৈ মোলৈ চিঠি দিব বাইদেউ?''

৪। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) ভদ্ৰতৰ শিলা মানে কি? ইন্দ্ৰদ্যুম্ন ৰজাই কলিংগপতিক বিন্ধ্য পৰ্বতলৈ কাক লৈ, কিয় যাবলৈ দিছিল? চতুৰংগ সেনা কি কি, লিখা। ১+৩+৩=৭

(খ) 'কুকুৰ' কবিতাটোৰ মূলভাৱ লিখা।

(গ) 'উভতি নহাৰ কবিতা'টোত কবিয়ে পৃথিৱীলৈ পুনৰ উভতি নাহোঁ বুলি কিয় প্ৰকাশ কৰিছে—পাঠ্যৰ আধাৰত বিশ্লেষণ কৰা।

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) সাম্প্ৰদায়িক সম্প্ৰীতিৰ ক্ষেত্ৰত 'চিৰাজ' নাটকৰ ভূমিকা সম্পৰ্কে এটি টোকা যুগুত কৰা।

(খ) 'চিৰাজ' নাটকৰ যি কোনো দুটা পুৰুষ চৰিত্ৰ বিশ্লেষণ কৰা।

(গ) ''মাহী নহয় মা বুলি মাত সীতা।'' কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছিল, বুজাই লিখা।

(PART : C—GRAMMAR, COMPOSITION AND ESSAY)

(*Marks* : 25)

৬। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **পাঁচটা**) : ৫

(ক) বিহুৰ আগদিনা

(খ) দুয়োটা চকুৰে নেদেখা মানুহ।

(গ) যাৰ সীমা নাই।

(ঘ) দুই মাহৰ মাজৰ দিন।

(ঙ) যি কথাৰ অৰ্থ নাই।

(চ) যি মিছা কথা কয়।

(ছ) যাৰ ঘৰবাৰী নাই।

৭। তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৫

(ক) অধিক মাছত বগলী কণা।

(খ) শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে।

(গ) অচিন কাঠৰ থোৰোকা নলগাবা।

৮। বিভক্তি কাক বোলে ? বিভক্তি কেইপ্ৰকাৰৰ আৰু কি কি ? ২+৩=৫

অথবা

তলৰ যি কোনো **পাঁচটা** খণ্ডবাক্যৰ অৰ্থপূৰ্ণ বাক্য ৰচনা কৰা : ১×৫=৫

ধোদৰ পচলা ; বাপতি-সাহোন ; জাকত জিলিকা ; নদন-বদন ; নপতা-ফুকন ; হাত-দীঘল ; গাই বাই চা।

৯। তলৰ যি কোনো **এটা** বিষয়ৰ এখন ৰচনা লিখা : ১০

(ক) সামাজিক মাধ্যম আৰু যুৱসমাজ

(খ) তোমাৰ প্ৰিয় গ্ৰন্থ

(গ) মেঘালয়ৰ প্ৰধান পৰ্যটন ক্ষেত্ৰসমূহ

(ঘ) ছাত্ৰৰ কৰ্তব্য

(For Old Course)

(*Marks* : 20)

১০। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো **পাঁচটা**) : ২×৫=১০

(ক) পঞ্চামৃত বুলিলে কি বুজা ?

(খ) 'কুকুৰ' কবিতাটোৰ কবি কোন ? তেওঁৰ কবিতা-পুথি এখনৰ নাম লিখা।

(গ) চিত্ৰলেখা কোন ? তেওঁ কি বিদ্যাত পাৰ্গত আছিল ?

(ঘ) সাহিত্য বুলিলে কি বুজা ?

(ঙ) সত্যভামা কোন ? তেওঁ কাৰ জীয়ৰী আছিল ?

(চ) শংকৰদেৱৰ দুখন নাটকৰ নাম লিখা।

(ছ) পাৰিজাত ফুলপাহৰ চমু বৰ্ণনা দিয়া।

১১। তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×২=১০

(ক) সাহিত্যত কল্পনাৰ গুৰুত্ব কিমান, বহলাই আলোচনা কৰা।

(খ) 'নাটঘৰ' কবিতাটোৰ মাজেৰে কবিয়ে জীৱনৰ ধাৰণা কিদৰে প্ৰকাশ কৰিছে, বিশ্লেষণ কৰা।

(গ) নাটক বুলিলে কি বুজা ? নাটকৰ উপাদানসমূহৰ এটি চমু আভাস দিয়া।

★★★